بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১৯ মে তাৰিখত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত, প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

যি আমি নিজৰ জীৱণ আমাৰ বাবে সুখ-শান্তিৰ আকৰ হিচাপে গঢ়িব বিচাৰো, যদি আমি আল্লাহ তায়লাৰ কৃপা অৰ্জন কৰিব বিচাৰো, তেন্তে আমি সেই বোৰ চৰিত্ৰ নিজৰ জীৱণৰ অংশ বনাই লোৱাৰ প্ৰয়োজন আছে, যিবোৰ আমাৰ প্ৰেম-প্ৰণয়ী হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ) য়ে প্ৰত্যেক বিষয়তে আমালোকলৈ আগবঢ়াইছে। আকৌ এই যুগত আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসে সেইবোৰ বিস্তৃত ভাৱে আমালোকৰ সন্মুখত ৰাখিছে আৰু সেয়া আমল কৰিবলৈ মনযোগ আকৰ্ষণ কৰিছে।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; সেই শিক্ষা যি আঁহজৰত (ছাঃ) ৰ ওপৰত অৱতীৰ্ণ হৈছে, সেয়াই আমাক সকলো বিষয়তে সহায় কৰে। যদি আমি প্ৰত্যেকই এই শিক্ষাৰ ওপৰত আমল কৰোঁতা হওঁ তেন্তে এখন সুন্দৰ সমাজ প্ৰতিস্থিত হ'ব পাৰে। কোৰ'আন কৰিমত অসংখ্য নিৰ্দেশাৱলী আছে কিন্তু আল্লাহ তায়লা সেই বোৰ এঠাইত এটা বাক্যত সন্নিবিষ্ট কৰি কৈছে যে; لَقَدۡ کَانَ لَکُمۡ فِیۡ رَسُوۡلِ اللّٰہِ اُسۡوَۃٌ حَسَنَۃٌ অৰ্থাৎ নিশ্চয় তোমালোকৰ বাবে আল্লাহৰ ৰছুলৰ মাজত পৰিত্ৰ আদৰ্শ ৰৈ আছে, আৰু আঁহজৰত (ছাঃ) ৰ জীৱণাদৰ্শৰ পৰা সমাজৰ সকলো ক্ষেত্ৰলৈ কোৰ'আন কৰিমৰ সকলো নিৰ্দেশৰ আমল কৰোতা আছিল। গতিকে প্ৰকৃত কৃতকাৰ্যতা সেই সময়ত হ'ব পাৰে, যেতিয়া আমি সকলো বিষয়তে এই আদৰ্শ সমুহ আগত ৰাখিম। মাজে সময়ে মানুহে ডাঙৰ-ডাঙৰ বিষয়তো বৰ ভাল আদৰ্শ প্ৰদৰ্শন কৰি থাকে কিন্তু সাধাৰণতে সৰু দেখিবলৈ পোৱা কথাবোৰ এনেদৰে আওহেলা কৰা হয় যেনিবা সেইবোৰৰ কোনো গুৰুত্ব নাই।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এতিয়া মই এই বিষয়ৰ ওপৰত পুৰুষ সকলৰ বিভিন্ন দক্ষতাৰে পালন কৰিব লগীয়া দায়িত্ব সম্পৰ্কে কবলৈ ওলাইছো। পুৰুষ সকলে নিজৰ ঘৰখনৰ এজন পৰিচালক হিচাপেও দায়িত্ব আছে, পুৰুষে এজন পতি হিচাপে কৰণীয় দায়িত্বও আছে। পিতৃ হিচাপেও দায়িত্ব আছে, আন হাতে সন্তানৰও দায়িত্ব আছে। যদি প্ৰত্যেকজন পুৰুষে এই দায়িত্ব বুজি লৈ চণ্ডালি লয় তেন্তে সমাজত বহল ভিত্তিত শান্তি ভ্ৰাতৃত্ব, ভালপোৱা প্ৰতিষ্ঠিত হোৱাৰ মাধ্যম হৈ পৰিব। এই কথাবোৰেই সন্তানৰ শিক্ষা-দীক্ষাৰ বাট মুকলি কৰি শান্তি আৰু মানৱ অধিকাৰ প্ৰতিষ্ঠাকাৰী প্ৰজন্মক লৈ আনিব। এই কথাবোৰৰ ওপৰতেই এখন ঘৰৰ শান্তি নিৰ্ভৰশীল। আজি কালি কিছুমান ঘৰৰ পৰা অভিযোগ মোলৈকে আহে যে পতিয়ে পত্নীক মৰ্যদা নিদিয়ে, তাইৰ হ'ক আদায় নকৰে, আৰু সন্তানৰ তত্বৱধান নলয়, শিক্ষা আদিৰ প্ৰতি ধ্যান নিদিয়ে, কেৱল নামতহে ঘৰৰ এজন পৰিচালক। পাকিস্থান আৰু ভাৰতৰ পৰা এনেকুৱা অভিযোগ আহে যে পতিয়ে পত্নীক মাৰপিট কৰি শৰীৰ ক্ষত-বিক্ষত অথবা জখম বনাই দিয়ে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈ মুৰ্খ লোকৰ দৰে থাকিব বিচাৰে যদি, তেন্তে আকৌ নিজৰ অৱস্থাৰ পৰিবৰ্ত্তন কৰাৰ শপত লৈ হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ অন্তৰ্ভূক্ত হোৱাৰ কোনো লাভালাভ নাই।

আঁহজৰত (ছাঃ) য়ে দেখোন সৰ্বপ্ৰথমে ঘৰৰ এজন পৰিচালক হিচাপে তৌহিদ প্ৰতিষ্ঠাৰ গুৰুত্ব নিজৰ পত্নী সকল আৰু সন্তানৰ আগত বৰ্ণনা কৰি তাৰ ওপৰত আমল কৰোৱাইছিল। কিন্তু এইবোৰ কাম মৰম চেনেহৰ মাজেৰে কৰোৱাইছিল। টাঙোনৰ বলেৰে নহয়। আঁহজৰত (ছাঃ) য়ে সীমাহীন ব্যাস্ততা থকা সত্বেও নিজৰ পৰিয়ালৰ হ'ক আদায় কৰিছিল। অতিশয় প্ৰেম ভালপোৱা আৰু কোমলতাৰ মাজেৰে এইবোৰ হ'ক আদায় কৰিছিল। প্ৰথমে এয়া ভালদৰে বুজাইছিল যে তৌহিদ প্ৰতিষ্ঠা কৰা, আল্লাহ তায়লাৰ উপাসনা কৰা তোমালোকৰ কৰ্তব্য আৰু দায়িত্ব। গতিকে হজৰত আয়েশা (ৰাঃ) য়ে; আঁহজৰত (ছাঃ) য়ে ৰাতি নফল নমাজ পঢ়িবলৈ উঠিছিল আকৌ শেষ ৰাতিত ফজৰ নমাজৰ আগত মোক পানী ছটিয়াই জগাই দিছিল যে নফল ইবাদত কৰা আৰু আল্লাহ তায়লাৰ হ'ক আদায় কৰা।

হজৰত আয়েশা (ৰাঃ) য়ে নিজৰ ঘৰৰ কাম সম্পৰ্কে বৰ্ণাবলৈ গৈ কৈছে যে তেখেত (ছাঃ) য়ে নিজৰ কাপোৰ নিজে চিলাই কৰি লৈছিল, জোতা মেৰামতি কৰি লৈছিল, পানীৰ বৰ্তন (বাল্টি) মেৰামত কৰিছিল। গতিকে এই আদৰ্শ সনুহ আগত ৰাখি কিছুমান

গিৰিয়েকে নিজে পৰ্যালোচনা কৰি চোৱা উচিত। এবাৰ আঁহজৰত (ছাঃ) য়ে কৈছে; মোমিন সকলৰ মাজত পূৰ্ণ পৰ্য্যয়ৰ ঈমানদাৰ হ'ল সেইজন যাৰ চৰিত্ৰ ভাল আৰু তোমালোকৰ মাজত চাৰিত্ৰিক দিশত আটাইতকৈ উত্তম হ'ল সেইজন যি জনে নিজৰ পত্নীৰ সৈতে ভাল আচৰণ কৰে। গতিকে প্ৰত্যেক সেইজন ব্যাক্তিয়ে যিজনে নিজৰ ঘৈনীয়েকৰ সৈতে ভাল আচৰণ নকৰে তেওঁ ভাৰি চোৱা উচিত যে এয়া হ'ল এটা উচ্চ পৰ্য়ায়ৰ ঈমানৰ নিদৰ্শন। হজৰত মছিহ মাওউদ (আঃ) য়ে গিৰিয়েকৰ দায়িত্ব ঘৈনীয়েকৰ লগত কৰা আচৰণ সম্পৰ্কে বৰ্ণাবলৈ গৈ উল্লেখ কৰে যে কুলটা চৰিত্ৰৰ বাদে বাকী সকলো ধৰণৰ দায়-দুৰ্বলতা মন-মানসিকতা মহিলাৰ মাজত থাকিলে সেয়া পুৰুষে সহ্য কৰা উচিত। তেখেত (আঃ) য়ে কৈছে যে; পুৰুষ হৈ মহিলাৰ (পতি-পত্নীৰ) লগত কাজিয়া কৰাটো মোৰ বৰ লাজ লাগে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; সেই সকল লোক: যি সকলে সামান্য কথা এটাতে পত্নীৰ সৈতে লড়াই-জগৰা কৰে, মোৰ পিট কৰে, তেওঁলোকে অলপ বিবেক কৰা উচিত। গতিকে যেনেকৈ মই উল্লেখ কৰিছো যে দেখিবলৈ সৰু যেন লগা কথাবোৰ দৰাচলতে সৰু নহয়। কিছুমান পুৰুষে কয় যে তিৰোতা সকলৰ অমুক-অমুক বেয়া স্বভাৱ আছে যাৰ ফলত আমি কঠোৰতা অৱলম্বন কৰিব লগা হয়। এই ক্ষেত্ৰত পুৰুষ সকলে আগতে নিজকে গমি চাব লাগে যে তেওঁ নিজে কিমান খিনি ধৰ্মীয় ক্ষেত্ৰত নামি আহিছে। হজৰত মছিহ মাওউদ (আঃ) য়ে এনেধৰণৰ পুৰুষ সকলক নচিহত কৰি কৈছে যে; যদি পতি মুত্তাকি নহয় তেন্তে পত্নী কেনেকৈ নেক হ'ব পাৰে। প্ৰথম চৰ্ত হ'ল এয়া যে পুৰুষজন নেক হ'ব লাগিব তেতিয়াহে তাৰ পত্নী নেক-পূণ্যবান হ'ব। উল্লেখ কৰিছে যে পত্নীক কথাৰে নহয় বৰং কাৰ্য্যৰ দ্বাৰা নচিহত কৰিলেহে ফলপ্ৰসু হয়। যিজন ব্যক্তিয়ে নিজে খোদা তায়লাক ভয় নকৰে তাৰ পত্নীয়ে কেনেকৈ ভয় কৰিব। যেতিয়া পতিয়ে ৰাতি উঠি আল্লাহ তায়লাৰ ওচৰত কান্দি কাটি দোৱা কৰিব পত্নীয়েও সেয়া দুই এদিন চাই অৱশেষত সেইফালে মনযোগ আহিব আৰু নিজেও কৰিব। নাৰীৰ মন প্ৰভাৱিত বেছি হয়, সিহঁতৰ সুধৰণীৰ বাবে কোনো স্কুলৰ প্ৰয়োজন নহয় বা সুধৰাব নোৱাৰে যিমানদুৰ পতিৰ আদৰ্শই তাইক সুধৰাব পাৰে। এয়া পুৰুষ সকলৰ অন্যায় যে সিহঁতে নাৰীক সিহঁতৰ দুৰ্বলতা বিচাৰি লোৱাৰ সুবিধা দিয়ে, দৰাচলতে উচিত যে নাৰীক কেতিয়াও এনে সুবিধা দিব নালাগে যে তেওঁলোকে ক'ব পাৰে যে মোৰ স্বামী অমুক গোনাহত, বেয়া কামত পিপ্ত। নাৰীয়ে বিচাৰি-বিচাৰি বাগৰি পৰিলেও কোনো ধৰণৰ বেয়া তোমাৰ মাজত পাব নালাগে তেতিয়া তাইৰ দ্বিনদাৰীৰ প্ৰতি মনত পৰিব আৰু ধৰ্মক বুজি পাব। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয়; যেতিয়া বিচাৰি ফুৰা সত্ত্বেও পুৰুষৰ মাজত কোনো ধৰণৰ বেয়া দেখিবলৈ নাপাব তেতিয়া যদিও সেই মহিলা ধাৰ্মীক নহয় তথাপি লাহে-লাহে ধৰ্মৰ ফালে তাইৰ মনযোগ উপজিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এফালে হজৰত মছিহ মাওউদ (আঃ) য়ে নিজৰ বয়াতলৈ অহা লোক সকলৰ পৰা আশা ৰাখিছে, আনফালে মই দেখিবলৈ পাইছো যে বহুতো পুৰুষ আছে, যি সকলৰ বিপক্ষে মহিলাই অভিযোগ উঠাইছে যে বাজমাত নমাজ দুৰতে থাকক ঘৰতো নমাজ নপঢ়ে। ধৰ্মীয় জ্ঞান দুৰ্বল হৈ পৰিছে। চান্দাৰ ক্ষেত্ৰত দুৰ্বল মনোভাৱ। টি.ভি আদিত অযথা প্ৰোগ্ৰাম দেখি থকাৰ অভিযোগ। ল'ৰা-ছোৱালীৰ তৰবিয়ত সম্পৰ্কে অভিযোগ আগৰে পৰাই আছে। আকৌ যদি কোনোবাই ঘৰৰ নেতা হ'ব খোজে তেন্তে তৰ্ক বিতৰ্ক, মাৰধৰ আদিৰ বাহিৰে আন একোৱে নহয়। সেয়ে কিছুমান ঘৰত মহিলা সকলে পুৰুষৰ পৰা শিক্ষা লাভৰ পৰিবৰ্তে পুৰুষক শিকায়। বিভিন্ন ফালে মনযোগ দিবলৈ শিকায় যাতে ল'ৰা-ছোৱালী বেয়াৰ পিনে নাযায়। যিবোৰ ঘৰত ল'ৰা-ছোৱালী সকলে বেতৰবিয়তৰ চিকাৰ হয় তাত সাধাৰণতে পুৰুষৰ অমনযোগ অথবা পৰিয়ালৰ প্ৰতি কঠোৰ ব্যাৱহাৰৰ ফলত হয়। কোনো কোনো ল'ৰা-ছোৱালী য়ে মোৰ ওচৰত অভিযোগ কৰে যে মোৰ দেউতাকৰ আচৰণ ভাল নহয়। মোৰ লগত বা মাকৰ লগত বেয়া ব্যাৱহাৰ কৰে। গতিকে যদি ঘৰখন সুখ-শান্তিময় বনাব বিচাৰে আৰু যদি ভৱিষ্যত প্ৰজন্মক তৰবিয়ত দিব বিচাৰে আৰু সিহঁতক ধৰ্মৰ সৈতে সংলগ্ন কৰি ৰাখিব বিচাৰে তেন্তে পুৰুষ সকলে নিজৰ অৱস্থাৰ পিনে দৃষ্টি দিব লাগিব। হজৰত মছিহ মাওউদ (আঃ) য়ে পুৰুষ সকলৰ মনযোগ আকৰ্ষণ কৰিবলৈ কৈছে যে; পুৰুষ হ'ল নিজৰ ঘৰখনৰ ইমাম। গতিকে যদি তেৱেঁই বদস্বভাৱ ৰাখে তেন্তে কিমান বেয়া প্ৰভাৱ পৰিব পাৰে। পুৰুষ সকলৰ উচিত যে নিজৰ শক্তি সময়মতে আৰু হালাল বাটত ব্যাৱহাৰ কৰক। উদাহৰণ স্বৰূপ ক্ৰোধ যেতিয়া চৰম হৈ উঠে তেতিয়া হয় এটা পাগলামী। যিজন মানুহ অতিকৈ খঙাল তাৰ পৰা বিবেকৰ নিজৰা কাঢ়ি লোৱা হয়। গতিকে বিৰুদ্ধবাদীৰ সৈতেও ক্ৰোধান্বিত হৈ কথা পাতিব নেলাগে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে এয়া হ'ল মানদণ্ড। ঘৰত পৰিয়ালৰ ওপৰত খংকৰিব নালাগে। এই ক্ৰোধ বেলেগ এনেকি যদি কোনো বিৰুধী আছে তাৰ লগতও ক্ৰোধান্বিত হৈ বিবেকৰ পৰা আতৰি গৈ কথা কোৱা উচিত নহয়। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে নজাৰতে ইচলাহ ও ইৰশাদ আৰু জেলি তনজিম বোৰে এই ফালে লক্ষ্য কৰা উচিত আৰু গোটা পৃথিৱীতেই তৰবিষতি প্ৰোগ্ৰাম অনুষ্ঠিত কৰাৰ প্ৰতি বেছি মনযোগ দিব লাগিব। তবলিগ কৰি আছে, ধৰ্মীয় মছায়েলবোৰ শিকি আছে কিন্তু ঘৰত অশান্তি বিৰাজ কৰিছে, ইয়াত তবলিগৰ কোনো লাভ আহৰণ নহয়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; গতিকে ঘৰখনৰ ধ্বংশ আৰু ল'ৰা-ছোৱালীৰ বিনাশ হোৱাৰ আগত এনেকুৱা পুৰুষ সকলে নিজৰ দায়িত্ব বুজি পোৱা উচিত। যিবোৰ তেওঁৰ ওপৰত নিজৰ পৰিয়ালৰ বাবে ধৰ্মই জাপি দিছে। ইছলামে যি দায়িত্ব তালৈ নির্দেশ কৰিছে। মহিলাৰ হ'ক আৰু সিহঁতৰ লগত কৰিবলগীয়া ব্যাৱহাৰ সম্পৰ্কে হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; ইছলামে যেনেকৈ নাৰীৰ হ'ক ৰক্ষণা বেক্ষণ কৰিবলৈ নির্দেশ দিছে বেলেগ ধৰ্মই মুঠেই দিয়া নাই। চমুকৈ কৈছে যে وَلَهُنَّ مِثْلُ الَّذِي عَلَيْهِنَّ অর্থাৎ পুৰুষৰ যেনেকৈ মহিলাৰ ওপৰত হ'ক আছে সেইদৰে মহিলাৰও পুৰুষৰ ওপৰত হ'ক পাবলৈ আছে। উচিত যে পতি-পত্নীৰ মাজত এনেকুৱা সম্পৰ্ক হ'ব লাগে যেনেকুৱা দুজন সঁচা আৰু প্ৰকৃত বন্ধুৰ মাজত হৈ থাকে। মানুহৰ চাৰিত্ৰিক জ্ঞান আৰু খোদা তায়লাৰ সৈতে থকা সম্পৰ্কৰ প্ৰথম সাক্ষী হ'ল পত্নী। যদি তাইৰ লগত সুসম্পৰ্ক নাথাকে তেন্তে এয়া কেনেকৈ সম্ভৱ যে তাৰ খোদা তায়লাৰ সৈতে বুজাবুজি আছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আকৌ পুৰুষ এজন দেউতা হিচাপে তাৰ পালনীয় দায়িত্ব বুজি পোৱাৰ অতি প্ৰয়োজন আছে। কেৱল এয়া ভাবিব নালাগে যে ল'ৰা-ছোৱালীৰ তৰবিয়তৰ দায়িত্ব কেৱল মাকৰ। হয়তো এটা সময় পৰ্যন্ত ল'ৰা-ছোৱালী মাকৰ লগত কটায় আৰু ল'ৰালিতে মাকৰ তৰবিয়ত গুৰুত্বপূৰ্ণ ভুমিকা লয় সেই বুলি পুৰুষে নিজৰ দায়িত্ব এৰাই চলিব নোৱাৰে। দেওতাকেও নিজৰ ল'ৰা-ছোৱালীৰ তৰবিয়তৰ ক্ষেত্ৰত নিজৰ ভুমিকা পালন কৰা উচিত। বিশেষকৈ ল'ৰা যেতিয়া সাত-আঠ বছৰীয়া হয়, তাৰ পিছত তেওঁ দেউতাকৰ দৃষ্টিৰ ওপৰত নির্ভৰশীল হয়। নহলে এই পশ্চিমীয়া সামাজিক ৰীতি নীতিত ল'ৰাবোৰে ভ্ৰষ্ট হোৱাৰ আশংকা আছে। দেউতাকে য'ত ল'ৰাক সন্মান দিব লাগে যাতে ল'ৰাৰ চৰিত্ৰ ভাল হয় তাত আকৌ চোকা দৃষ্টি ৰখাও প্ৰয়োজন আছে। কাৰণ যাতে তেওঁ সামাজিক বেয়া পৰিবেশৰ হাত সাৰিব পাৰে। আকৌ দেউতাকৰ কৰ্তব্য হ'ল ল'ৰাৰ তৰবিয়তৰ কাৰ্য্যকৰী ব্যৱস্থাৰ লগতে দোৱাৰ ফালেও মনযোগ দিয়ে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে হিদায়ত আৰু তৰবিয়ত প্ৰকৃততেই খোদা তায়লাৰ কাৰ্য্য। কঠোৰ পৰিশ্ৰম কৰা আৰু এটা বিষয়ত অতিৰঞ্জিত জিদ ধৰায় বুজায় যে যেনিবা মইয়েই হিদায়েতৰ গৰাকী আৰু মই নিজৰ ইচ্ছা অনুসৰি তাক পৰিচালিত কৰিম। এয়া হ'ল এক ধৰণৰ লুকাই থকা শিৰিক। মোৰ জমাতে এয়া ত্যাগ কৰা উচিত। উল্লেখ কৰে যে আমি আমাৰ ল'ৰা-ছোৱালীৰ বাবে দোৱা কৰো আৰু ওপৰে-ওপৰে নিয়ম-নীতি আৰু আদব-কায়দা শিক্ষাৰ অনুসৰণ কৰাও। ইয়াতকৈ একো নহয় আৰু খোদা তায়লাৰ ওপৰত ভৰষা কৰো যেনিবা সৌভাগ্য ফুলিব সময়ত গৈ শস্য শ্যামলা হৈ পৰিব।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে; কিছুমান লোকৰ এয়া ধাৰণা যে সন্তানৰ বাবে ধন মাল আৰ্জিব লাগিব। মোৰ আচৰিত লাগে যে ধন গোটোৱাৰ কথা সিহঁতৰ মনত জাগে কিন্তু এয়া মনত নপৰে যে সন্তান সৎ হওক, অসৎ নহয় যেন। এয়া কিন্তু ধাৰণাই নকৰে আৰু তালৈ ভ্ৰূক্ষেপ কৰে। খোদা তায়লা নিজে কৈছে যে, -وَهُوَ يَتَوَلَّى الصَّلِحِيْنَ অৰ্থাৎ আল্লাহ তায়লা নিজৰ চালেহিন সকলৰ সহায়ক হয়। যদি দুৰ্ভগীয়া হয় তেন্তে তাৰ বাবে লাখ টকা এৰি গলেও তেওঁ বেয়া কামত সেয়া শেষ কৰি ভিক্ষাৰী হৈ পৰিব আৰু সেই বোৰ বিপদৰ সমস্যাত পৰিব যি তাৰ বাবে বাধ্যতামুলক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; য'ত ইছলামে পিতৃক এয়া কৈছে যে নিজৰ সন্তানৰ তৰবিয়তৰ ফালে মনযোগ দিয়া আৰু সিহঁতৰ বাবে দোৱা কৰা,তাত সন্তান সকলকো নির্দেশ দিছে যে তোমালোকৰ বাবেও কৰণীয় ফৰজ ৰৈ আছে। যেতিয়া তোমালোক যুৱা হৈ উঠিবা তেতিয়া মাক-দেউতাকৰো হ'ক আদায় কৰিবলৈ আছে। এয়া হ'ল সম্বন্ধ হ'কৰ ক্ৰিয়া যিয়ে পৰস্পৰক সংলগ্ন ৰাখি শান্তি নিৰাপত্তাময় সমাজৰ জন্ম দিয়ে। মাক-দেউতাকৰ হ'ক আদায় কৰা কিমান ডাঙৰ জিম্মাদাৰী আৰু ইয়াৰ কিমান গুৰুত্ব তাৰ মুলাংকণ কৰা সকলো মোমিনৰ কৰ্তব্য। এজন ল'ৰা যেতিয়া ডেকা হৈ উঠে তেতিয়া মাক-দেউতাকৰ হ'ক তেওঁ কেনেদৰে আদায় কৰিব এই কথাখিনি বুজাবলৈ আঁহজৰত (ছাঃ) য়ে কৈছে; যেতিয়া এজন ব্যক্তিয়ে আঁহজৰত (ছাঃ) ৰ ওচৰত আবেদন জনায় যে মই যুদ্ধলৈ যাব বিচাৰো তেতিয়া তেখেত (ছাঃ) য়ে তেওঁক প্ৰশ্ন কৰে যে তোমাৰ মা-দেউতা জীয়াই আছেনে ? তেওঁ উত্তৰ দিয়ে যে, হয়। জীৱিত আছে। তেখেত (ছাঃ) য়ে কয় যে সেই দুজনৰ সেৱা কৰি থাকা এয়াই তোমাৰ বাবে যুদ্ধ। এজন চাহাবাই কৈছে যে; আমি আঁহজৰত (ছাঃ) ৰ ওচৰত উপস্থিত আছিলো, এনেতে বনি ছালমাৰ এজন লোক আহি উপস্থিত হয় আৰু প্ৰশ্ন কৰে যে ইয়া ৰছুলুল্লাহ, মাক-দেউতাকৰ মৃত্যুৰ পিছত এনে কোনো নেকি আছেনে যিটো মই তেখেত সকলৰ বাবে কৰিব পাৰো। তেখেত (ছাঃ) য়ে উত্তৰত কৈছিল; কিয় নোৱাৰিব। তুমি তেওঁলোকৰ বাবে দোৱা কৰিবা। তেওঁলোকৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিবা। তেওঁলোকে কৰি থৈ যোৱা প্ৰতিশ্ৰুতি পূৰ্ণ কৰি দিয়া। তেওঁলোকৰ আত্মীয় স্বজনৰ সৈতে একেুৱা দয়া প্ৰৱণ হোৱা আৰু ভাল আচৰণ কৰা যিদৰে তেওঁলোকে জীৱিত অৱস্থাত সিহঁতৰ লগত আচৰণ কৰিছিল। তেওঁলোকৰ বন্ধু-বান্ধৱৰ লগত সন্মান সুচক আচৰণ কৰা।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; বিয়াৰ পিছত বিশেষকৈ সেই ফৰজ সমুহৰ ফালে মনযোগ দিয়া উচিত আৰু যদি মানুহে বিবেকৰ সৈতে পত্নীৰ ফৰজসমুহ আদায় কৰি যায়, মাক দেউতাকৰ খিদমত কৰে আৰু ঘৈনীয়েকক বিবেক জ্ঞানেৰে বুজায় যে শহুৰ-

শাহুৰৰ কি মৰ্য্যদা আৰু নিজেও যদি নিজৰ শহুৰ-শাহুৰৰ খিদমত আৰু মৰ্য্যদা বুজি পায় তেন্তে ঘৰত কেতিয়াও কাজিয়া বিবাদৰ জন্ম নহয়। কেতিয়াবা কেতিয়াবা ধৰ্মীয় সংক্ৰান্তে পিতা-পুত্ৰৰ মাজত মত বিৰুধৰ জন্ম হয়। কিছুমান নমোবাইন সকলে এই বিষয়ে এতিয়াও প্ৰশ্ন কৰে। এনে ক্ষেত্ৰত পুত্ৰই পিতাৰ সৈতে নেক আচৰণ কৰিব লাগিব, খিদমত কৰিব লাগিব। এই বিষয়ে হজৰত মছিহ মাওউদ (আঃ) য়ে বিতং ব্যাখ্যা আগবঢ়াইছে। এজন ব্যক্তিয়ে প্ৰশ্ন কৰিছিল যে; ইয়া হজৰত, মাক-দেউতাকৰ খিদমত আৰু তেওঁলোকৰ আনুগত্য কৰা আল্লাহ তায়লা মানৱৰ ওপৰত ফৰজ নিৰ্দ্ধাৰণ কৰিছে। কিন্তু মোৰ মা-দেউতা আপোনাৰ ছিলছিলাত বয়াত হৈ অন্তৰ্ভূক্ত হোৱা বাবে মোলৈ বেজাৰ পাইছে। এনেকি মোক দেখিবলৈও পছন্দ নকৰে। গতিকে যেতিয়া মই হুযুৰৰ বয়াতৰ বাবে আহিবলৈ লৈছিলো, তেওঁলোকে মোক কৈছিল যে তুমি আমালোকলৈ চিঠি পত্ৰও নিদিবা। এতিয়া আমি তোমাৰ ছাঁ পৰ্য্যন্ত দেখিবলৈ পছন্দ নকৰো। এতিয়া মই কেনেকৈ ফৰজে ইলাহি পালন কৰি মুক্তি লভিম ?

তেখেত (আঃ) য়ে উত্তৰ দিয়ে যে কোৰ'আন শ্বৰীফত য'ত মাক-দেউতাৰ আনুগত্য আৰু খিদমতৰ বাবে নিৰ্দেশ দিছে তাত এয়াও উল্লেখ কৰিছে যে; رَبُّكُمْ أَعْلَمُ بِمَا فِي نُفُوسِكُمْ ۚ إِن تَكُونُوا صَالِحِينَ فَإِنَّهُ كَانَ لِلْأَوَّابِينَ غَفُورًا যে আল্লাহ তায়লা বৰ ভালদৰে জানে যি বোৰ তোমাৰ হৃদয় কক্ষত আছে, যদি তুমি চালেহ হোৱা তেন্তে সেইজনাই নিজৰ ফালে নতশীৰ কৰা জনৰ বাবে অতিশয় ক্ষমাশীল। চাহাবা ৰিজুৱানল্লাহে আলায়হিম সকলৰও এনেকুৱা সমস্যা উপস্থিত হৈছিল যে ধৰ্মীয় বাধ্যবাদকতাৰ কাৰণে তেওঁলোক আৰু তেওঁলোকৰ মাক-দেউতাকৰ মাজত বিবাদ হৈছিল। যিয়েই নহওক তুমি নিজৰ ফালৰ পৰা তেওঁলোকৰ দেখা শুনা আৰু যত্নবান থাকিবা। যেতিয়াই সুবিধা পাবা সেয়া সম্পাদন কৰিবা এৰাই নচলিবা। তোমাৰ নিয়তৰ নেকি তুমি লাভ কৰিবা। যদি সচাঁকৈয়ে ধৰ্মীয় কাৰণত আৰু আল্লাহ তাযলাৰ সন্তোষ্টিক প্ৰাধান্যতা দিয়াৰ ফলত মাক দেউতাকৰ পৰা পৃথক হবলগীয়া হৈছে তেন্তে এয়া হ'ল এটা বাধ্যবাদকতা। নিজৰ ফালৰ পৰা পিতৃ-মাতৃৰ হ'ক আদায় কৰিবলৈ চেষ্টা কৰি থাকা আৰু তেওঁলোকৰ বাবে দোৱা কৰি থাকা আৰু সুস্বাস্থ্য কামনা কৰা। কিন্তু নিয়ত শুদ্ধ নিয়ত হ'ব লাগিব। এনে প্ৰশ্ন বহুত লোকে সুধি থাকে যে পিতৃ-মাতৃৰ হ'ক এনে-এনে অৱস্থাত আমি কেনেকৈ আদায় কৰিম, তেওঁলোকৰ বাবেও এয়াই উত্তৰ যথেষ্ঠ হ'ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যিয়েই নহওক এজন পুৰুষৰ বাবে বিভিন্ন দিশত যিবোৰ পালনীয় দায়িত্ব আছে সেইবোৰ তেওঁ পালন কৰিবলৈ চেষ্টা কৰা উচিত। নিজৰ ঘৰখনত এনেকুৱা এটা আদৰ্শ গঢ়ি তুলিব লাগিব, য'ত প্ৰেম, ভালপোৱাৰ বাতাবৰণ প্ৰতিষ্ঠিত থাকে। এজন পুৰুষ এজন পতি, এজন পিতৃ, এজন পুত্ৰ, হিচাপে তেওঁ তাৰ সকলো দায়িত্ব বুজি পোৱা উচিত। পুৰুষৰ বাবে আৰু বহুতো মৰ্যদাৰ বিষয় আছে কিন্তু এই তিনিটা দায়িত্বৰ মৰ্যদা বৰ্ণনা কৰা হৈছে যাতে ঘৰৰ যি বুনিয়াদী একতা আছে সেয়া যেন সামাজিক শান্তিৰ জামিন বনাব পৰা যায়। যাতে এই বুনিয়াদী একতাৰ মাজেৰে শান্তি প্ৰতিষ্ঠিত হয় আৰু তাত বেছি বেছি সৌন্দৰ্য্য বৰ্দ্ধনৰ চেষ্টা কৰিব পৰা যায়। আল্লাহ তায়লা সকলোকেই ইয়াৰ বাবে তৌফিক দান কৰক।(আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 19 May 2017**

**BOOK POST (PRINTED MATTER)**

**To**

---------------------------------------------------------------------------------

---------------------------------------------------------------------------------

---------------------------------------------------------------------------------

---------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**